# শ্বিৰ্ক কাক কোৱা হয়

শ্বিৰ্ক অৰ্থাৎ অংশীদাৰ বনোৱা, আল্লাহৰ বিনে অন্য কাৰোবাৰ ইবাদত কৰা, আলাহতকৈ বেছি ভালপোৱা, সন্মান কৰা বা সমসন্মানীয় বুলি গণ্য কৰা। আল্লাহৰ গুণাৱলীৰ লগত অন্য কাৰোবাক অংশীদাৰ কৰা তথা অইন কোনোবাই এনেবোৰ কৰ্ম কৰিব পাৰিব বুলি বিশ্বাস ৰখা ইত্যাদিকে মূলতঃ শ্বিৰ্ক বুলি কোৱা হয়। উদাহৰণ স্বৰূপে আমি কোৰাণৰ এই আয়াতসমূহ চাব পাৰোঁ; ছুৰা আশ্ব-শ্বু'ৰা ৯৭-৯৮('আল্লাহৰ শপত! নিশ্চয় আমি স্পষ্ট পথভ্ৰষ্টতাত আছিলো,'যেতিয়া আমি তোমালোকক সৃষ্টিজগতৰ প্ৰতিপালকৰ সমকক্ষ বুলি গণ্য কৰিছিলো)

# শ্বিৰ্ক শব্দৰ অৰ্থ

- শ্বিৰ্কৰ দুটা অৰ্থ আছে:

প্ৰথমটো হৈছে সাধাৰণতে গাইৰুল্লাহক(আল্লাহ ব্যতীতক)আল্লাহৰ বৈশিষ্ট্যৰ সমকক্ষ বুলি গণ্য কৰা।

- এই সাধাৰণ অৰ্থত শ্বিৰ্কক তিনিটা ভাগত বিভক্ত কৰা হৈছে:

১)আল্লাহৰ ৰুবূবিয়্যাতত(উপাস্য) শ্বিৰ্ক। ২)আল্লাহৰ উলূহিয়্যাত(মালিক)শ্বিৰ্ক। ৩)আল্লাহ তা'আলাৰ গুণাৱলীত শ্বিৰ্ক।

Scanned with CamScanner

শ্বিৰ্কৰ দ্বিতীয় অৰ্থ: আল্লাহৰ লগতে গাইৰুল্লাহক(আল্লাহ ব্যতীতৰ) উপাসনা কৰা আৰু মান্যবৰ হিচাপে গ্ৰহণ কৰা।

# শ্বিৰ্কৰ প্ৰকাৰ

## ১)শ্বিৰ্ক এ আকবৰ বা ডাঙৰ শ্বিৰ্ক:

অৰ্থাৎ আল্লাহৰ লগত বেলেগক অংশীদাৰ বনোৱা। যেনে: আল্লাহ ব্যতীতক আচল উপাস্য ও ক্ষমতাবান বুলি ভাবি তাৰ ওচৰত কিবা কামনা কৰা,ভয় কৰা,আল্লাহৰ সমান ভালপোৱা ইত্যাদি।

## ২)শ্বিৰ্ক এ আছগৰ বা সৰু শ্বিৰ্ক:

সাধাৰণতে আমি "ৰিয়া"(আনক দেখুওৱাৰ উদ্দেশ্যে কৰাক ৰিয়া বোলে) কৰাক সৰু শ্বিৰ্ক বুলি ক'ব পাৰোঁ।যেনে: কোনো কথা অথবা কাম লোকক দেখুৱাই কৰা,আনৰ সন্তুষ্টিৰ উদ্দেশ্যে কৰা।

## ৩)শ্বিৰ্ক এ খফী বা গোপন শ্বিৰ্ক:

য'ত আল্লাহ আৰু সৃষ্টিৰ মাজত সমকক্ষতাৰ গোন্ধ পোৱা যায় সেইবোৰেই হৈছে গোপন শ্বিৰ্ক। এই শ্বিৰ্কসমূহক অইন দুই শ্ৰেণীৰ শ্বিৰ্কৰ অন্তৰ্ভুক্ত কৰাটো কঠিন হৈ পৰে। কাৰণ এনেবোৰ কথা জনাটো বৰ কঠিন যে এয়া শ্বিৰ্ক এ আকবৰ নে শ্বিৰ্ক এ আছগৰ। এই ধৰণৰ শ্বিৰ্কৰ প্ৰতি লক্ষ্য ৰাখিয়েই আমি কোৰাণৰ এই আয়াতক চাব পাৰোঁ: ছুৰা লোকমান,আয়াত ১৩।

Scanned with CamScanner

("আৰু স্মৰণ কৰা, যেতিয়া লোকমানে তেওঁৰ পুত্ৰক উপদেশ দি কৈছিল, 'হে মোৰ পুত্ৰ! আল্লাহৰ লগত শ্বিৰ্ক(অংশীদাৰ) নকৰিবা। নিশ্চয় শ্বিৰ্ক মহা অন্যায়'।"

# শ্বিৰ্কৰ আৰম্ভণি

এই বিষয়ে কোনো সন্দেহ নাই যে আদম আঃ আল্লাহ তা'আলাৰ নবী আৰু প্ৰথম মানৱ।কালৰ পৰিক্ৰমাত আদম সন্তানসকলৰ মাজত শিক্ষাৰ অৱনতি ঘটে, তেতিয়া চিৰ শত্ৰু চয়তানৰ কুটিল চক্ৰান্তৰ বলি হৈ ক্ৰমে মুমিন আৰু মুশ্বৰিক দুটা দলত বিভক্ত হৈছিল। তেওঁলোকৰ পিতা-মাতাৰ বিৰুদ্ধে যিদৰে ষড়যন্ত্ৰ কৰিছিল ঠিক তেনেকৈয়ে তেওঁলোকৰ বিৰুদ্ধেও ষড়যন্ত্ৰত লিপ্ত হৈছিল।

# শ্বিৰ্ক কৰাৰ পৰিণাম

আল্লাহ পাকে কোৰআনত স্পষ্টকৈ  কৈছে:

إِنَّهُ مَن يُشْرِكْ بِاللَّهِ فَقَدْ حَرَّمَ اللَّهُ عَلَيْهِ الْجَنَّةَ وَمَأْوَاهُ النَّارُ ۖ وَمَا لِلظَّالِمِينَ مِنْ أَنصَارٍ

নিশ্চয় যিয়ে আল্লাহৰ লগত অংশীদাৰ স্থাপন কৰে আল্লাহে তাৰ ওপৰত জান্নাত হাৰাম কৰি দিছে আৰু তাৰ ঠিকনা হ'ব জাহান্নাম। আৰু অন্যায়কাৰী বাবে কোনো সহায়কাৰী নাই।

(ছুৰা আল-মা'য়িদা, আয়াত-৭২ )

আনহাতে দয়াৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

Scanned with CamScanner

যি ব্যক্তি এই স্থিতিত মৃত্যু হ'ল যে সি আল্লাহ অবিহনে অইন কাৰোবাৰ উপাসনা কৰিছিল,তেন্তে সেই ব্যক্তি দোজখত যাব।

[বুখাৰী-৪৪৯৭,মুছলিম-৯২]

আল্লাহৰ বাহিৰে অইন কাৰোবাৰ উপাসনা কৰাসকলকৰ ভাল কামে তেওঁলোকক কোনো সহায় নকৰে। ভাল কাম যেনে:দান-ছদকা,নামাজ-ৰোজা ইত্যাদি। শ্বিৰ্কৰ উপস্থিতিত আক্বীদা তথা ঈমানৰ অস্তিত্বই নেথাকে বুলি ক'ব পাৰি, অৰ্থহীন হৈ যায়।

এতেকে আল্লাহ পাকে ওঁঠৰ জন নবীৰ নাম লোৱাৰ পিছত কৈছে:

ذَٰلِكَ هُدَى ٱللَّهِ يَهْدِى بِهِۦ مَن يَشَآءُ مِنْ عِبَادِهِۦ ۚ وَلَوْ أَشْرَكُوا۟ لَحَبِطَ عَنْهُم مَّا كَانُوا۟ يَعْمَلُونَ

এইটো হৈছে আল্লাহৰ হিদায়ত। ইয়াৰ দ্বাৰা তেওঁ নিজ বান্দাসকলৰ মাজৰ পৰা যাক ইচ্ছা সঠিক পথ প্ৰদান কৰে। কিন্তু যদি তেওঁলোকে শ্বিৰ্ক কৰিলেহেঁতেন তেন্তে তেওঁলোকৰ সকলো আমল নিষ্ফল হৈ গ'লহেঁতেন।"

اٰمِیْن بِجَاہِ النَّبِیِّ الْاَمِیْن صلَّی اللہ تعالٰی علیہ واٰلہٖ وسلَّم

واللہ اعلم بالصواب

Arshiya Shehnaz Ahmed

Definitely forward

+918638731917 Inzamul_78

Scanned with CamScanner